**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-04-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ দুদিন বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষৰ প্ৰচাৰে ব্যাপক ৰূপ লৈছে।

কংগ্ৰেছৰ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে আজি গোলাঘাট, বিশ্বনাথ আৰু কমলপুৰত নিৰ্বাচনী সভাত অংশ লৈ দলীয়া প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। তেওঁ বিশ্বনাথৰ চি টি চি খেলপথাৰত আয়োজিত জনসমাবেশত অংশ লৈ বিজেপিৰ তীব্ৰ সমালোচনা কৰে। শংকৰদেৱ, জুবিন গাৰ্গে একতাৰ দোলেৰে বান্ধি ৰখা অসমীয়া সমাজখনত শাসকীয় দলে বিভেদ সৃষ্টি কৰিব বিচাৰিছে বুলি কংগ্ৰেছ নেতাগৰাকীয়ে অভিযোগ তোলে। শ্ৰী গান্ধীয়ে অসমত কংগ্ৰেছ চৰকাৰ শাসনলৈ আহিলে ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ মৰ্যাদা প্ৰদানৰ উপৰি ১০ লাখ লোকক ভূমি পট্টা প্ৰদান তথা চাহ শ্ৰমিকক ৪৫০ টকাকৈ মজুৰি প্ৰদান কৰা হ'ব বুলি নিৰ্বাচনী প্ৰতিশ্ৰুতি দিয়ে।

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি বোকাখাটত এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা মন্ত্ৰী অতুল বৰাৰ হৈ প্ৰচাৰ চলায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিগত সময়ছোৱাত অতুল বৰাৰ মন্ত্ৰিত্বকালত অসমৰ কৃষি খণ্ডৰ আমূল পৰিৱৰ্তন হোৱা বুলি উল্লেখ কৰে। তেওঁ লগতে এইবাৰৰ নিৰ্বাচনত অতুল বৰা অভিলেখ সংখ্যক ভোটত জয়ী হ'ব বুলি দাবী কৰে।

জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি পশ্চিম গোৱালপাৰা, দুধনৈ, পলাশবাৰী আৰু বকো-ছয়গাঁৱত প্ৰচাৰ চলাইছে। ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে আজি চৰাইদেউ জিলাৰ সোণাৰী সমষ্টিত বিজেপিৰ প্ৰাৰ্থী ধৰ্মেশ্বৰ কোঁৱৰৰ হৈ প্ৰচাৰ সভাত অংশ লয়। চাহ বাগিচা অঞ্চলত বিজেপিৰ ভেঁটি শক্তিশালী কৰাৰ লক্ষ্যৰে তেওঁ বৰহাট চাহ বাগিচাত নিৰ্বাচনী প্ৰচাৰ চলায়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ধেমাজিত বিজেপিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী ডাঃ ৰণোজ পেগুৰ হৈ আৰু নলবাৰী জিলাৰ টিহুত বিজেপি প্ৰাৰ্থী চন্দ্ৰমোহন পাটোৱাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ লয়।

বি পি এফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে আজি বাক্সা সমষ্টিৰ এন ডি এ সমৰ্থিত প্ৰাৰ্থী মনেশ্বৰ ব্ৰহ্মৰ হৈ প্ৰচাৰ চলায়। ইউ পি পি এলৰ সভাপতি প্ৰমোদ বড়োই চিৰাঙত দলীয় প্ৰাৰ্থী ৰঞ্জিত বসুমতাৰী আৰু কমল সিং নাৰ্জাৰীৰ সমৰ্থনত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

০০০০

নিৰ্বাচনী প্ৰচাৰৰ বাবে বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পুনৰ অসমলৈ আহিছে। তেওঁ আজি সন্ধিয়া গুৱাহাটীত উপস্থিত হয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে কাইলৈ পুৱা ১১ বজাত ভৱানীপুৰ আৰু সৰভোগত বিজেপি প্ৰাৰ্থী ৰণজিৎ কুমাৰ দাসৰ হৈ প্ৰচাৰ চলাব। দিনৰ ভাগত শ্ৰীমোদীয়ে হোজাইত আৰু বিয়লি ডিব্ৰুগড়ত নিৰ্বাচনী প্ৰচাৰ চলাব। দলৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও কাইলৈ আৰু পৰহিলৈ বৰাক উপত্যকাত নিৰ্বাচনী প্ৰচাৰ চলাব।

কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেও নিৰ্বাচনী প্ৰচাৰৰ বাবে কাইলৈ পুনৰ অসমলৈ আহিব। পৰহিলৈ তেওঁ এখন সংবাদমেলত ভাগ ল'ব। কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়েও কাইলৈ ৰাজ্যখনত প্ৰচাৰ চলোৱাৰ কথা।

০০০০

বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে জিলা প্ৰশাসনসমূহ সুকলমে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ সাজু হৈ উঠিছে। নিৰ্বাচনত ব্যৱহাৰ হ'বলগীয়া ই ভি এম সমূহত প্ৰাৰ্থীসকলৰ নাম তথা প্ৰতীক চিহ্ন সন্নিবিষ্টকৰণ কাৰ্য ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিত সফলতাৰে কৰা হৈছে। নিৰ্বাচনৰ আয়োগৰ নিৰ্দেশনা অনুসৰি সম্পূৰ্ণ স্বচ্ছতাৰে প্ৰাৰ্থী অথবা তেওঁলোকৰ অনুমতি প্ৰাপ্ত প্ৰতিনিধিৰ উপস্থিতিত এই প্ৰক্ৰিয়া সম্পন্ন কৰা হৈছে। মুঠ ৪১ হাজাৰ ৩২০ টা বেলট ইউনিট, ৪৩ হাজাৰ ৯৭৫ টা কণ্ট্ৰল ইউনিট আৰু ৪৩ হাজাৰ ৯৯৭ টা ভি ভি পেট ইউনিটত প্ৰাৰ্থীসকলৰ নাম তথা প্ৰতীক চিহ্ন সন্নিবিষ্ট কৰা হৈছে। ৰাজ্যৰ ৩১ হাজাৰ ৪৯০ টা ভোটগ্ৰহণ কেন্দ্ৰত প্ৰয়োজন সাপেক্ষে ব্যৱহাৰৰ বাবে ই ভি এম সংৰক্ষণ কৰা হৈছে।

০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ পৰামৰ্শ অনুসৰি লোকভৱনে আজি প্ৰাগজ্যোতি আই টি এ সাংস্কৃতিক কেন্দ্ৰত ৰাজস্থানৰ প্ৰতিষ্ঠা দিৱস উদযাপন কৰে। ভাৰত চৰকাৰৰ এক ভাৰত শ্ৰেষ্ঠ ভাৰত পদক্ষেপৰ অধীনত আয়োজন কৰা এই কাৰ্যসূচীৰ জৰিয়তে আমাৰ দেশৰ অনৈক্যৰ মাজত ঐক্যৰ ভাৱনাক শক্তিশালী কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি ৰাজ্যপালগৰাকীয়ে উল্লেখ কৰে। তেওঁ ৰাজ্যখনৰ বৰ্ণাঢ্য ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধা জনাই কয় যে মহাৰাণা প্ৰতাপ, মহাৰাণা ছাংগা, মহাৰাজা সুৰজমল, মীৰাবাঈ আৰু পান্না ধাইৰ দৰেমহান লোকসকলৰ বীৰত্ব আৰু ত্যাগে প্ৰতিটো প্ৰজন্মক অনুপ্ৰাণিত কৰি আহিছে। শ্ৰীআচাৰ্যই অসম আৰু ৰাজস্থানৰ মাজৰ গভীৰ সাংস্কৃতিক সম্পৰ্কৰ কথা উল্লেখ কৰি কয় যে ভৌগলিক দূৰত্ব সত্বেও দুয়োখন ৰাজ্যই সাংস্কৃতিক প্ৰমূল্যৰ জৰিয়তে একত্ৰিত হৈ আছে।

০০০০

নগাঁও জিলা হজ কমিটিৰ উদ্যোগত আজি নগাঁও এন ই এফ মহাবিদ্যালয়ত ২০২৬ বৰ্ষৰ হজ যাত্ৰীসকলৰ এদিনীয়া প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। এই প্ৰশিক্ষণ শিবিৰত জিলাখনৰ ডেৰশৰো অধিক পুৰুষ-মহিলা হজ যাত্ৰীয়ে অংশগ্ৰহণ কৰে। কাৰ্যসূচীত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি নগাঁও জিলা আয়ুক্ত দেৱাশিষ শৰ্মাই হজ যাত্ৰীসকলক যাত্ৰা পথত মানিবলগীয়া বিভিন্ন দিশসমূহৰ বিষয়ে অৱগত কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ হজ কমিটিৰ কাৰ্যবাহী বিষয়া তথা সচিব আবুল কালাম মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে চেন্নাই ছুপাৰ কিংছক জয়ৰ বাবে ২৫১ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত তিনি উইকেটৰ বিনিময়ত ২৫০ ৰাণ সংগ্ৰহ কৰে। টীম ডেভিদে সৰ্বাধিক ৭০ ৰাণ আৰু ৰজত পাটিদাৰে ৪৮ ৰাণ কৰি আউট নোহোৱাকৈ থাকে।

ইয়াৰ পূৰ্বে হায়দৰাবাদত অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে, ছান ৰাইজাৰ্ছ হায়দৰাবাদক পাঁচ উইকেটত পৰাস্ত কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ